**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত অভিলেখ সংখ্যক ভোটদান হোৱাত কেন্দ্ৰীয়শাসিত অঞ্চল জম্মু-কাশ্মীৰে ভাৰতৰ শত্ৰুক যথোচিত প্ৰত্যুত্তৰ দিয়ে।

২। উত্তৰ-পূৰ্বাঞ্চলত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন সমস্যা সমাধান কৰিছে বুলি ৰাষ্ট্ৰপতিয়ে প্ৰকাশ কৰে।

৩। কেনিয়াৰ ৰাষ্ট্ৰপতি উইলিয়াম ৰুটোৱে কৈছে যে দেশজুৰি ভয়াৱহ প্ৰতিবাদৰ প্ৰতি লক্ষ্য ৰাখি বিত্তীয় বিধেয়ক প্ৰত্যাহাৰ কৰা হ'ব।

আৰু

৪। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজি অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক ৯ উইকেটত পৰাস্ত কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত অভিলেখ সংখ্যক ভোটদান হোৱাত কেন্দ্ৰীয়শাসিত অঞ্চল জম্মু-কাশ্মীৰে ভাৰতৰ শত্ৰুক যথোচিত প্ৰত্যুত্তৰ দিয়ে। তেওঁ কৈছে যে এই ভোটদানৰ হাৰে জম্মু-কাশ্মীৰৰ দশক পুৰণা অভিলেখ ভংগ কৰে। আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বিগত চাৰিটা দশকত জম্মু-কাশ্মীৰত বিভিন্ন প্ৰতিবাদ আৰু বন্ধৰ ফলত ভোটদানৰ হাৰ নিম্নগামী হৈছিল আৰু ভাৰতৰ শত্ৰুপক্ষই ইয়াকে আন্তঃৰাষ্ট্ৰীয় মঞ্চত এয়া কাশ্মীৰৰ জনসাধাৰণৰ ৰায় বুলি প্ৰচাৰ কৰিছিল। কিন্তু এইবাৰ কাশ্মীৰ উপত্যকাই এনেধৰণৰ সকলো পক্ষকে সমুচিত প্ৰত্যুত্তৰ দিয়ে। তেওঁ কয় যে জনসাধাৰণ এইবাৰ অনুধাৱন কৰিছে যে চৰকাৰেহে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে নতুন চৰকাৰে সংসদৰ পৰৱৰ্তী অধিৱেশনত প্ৰথমখন সাধাৰণ বাজেট দাখিল কৰিব। সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ দৃষ্টিকোণেৰে এই বাজেটখন প্ৰস্তুত কৰা হ'ব আৰু ক্ষিপ্ৰতাৰে এই বাজেটখনৰ বিভিন্ন সংশোধন কৰা হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে বিগত ১০ বছৰত দেশখন একাদশ স্থানৰ পৰা পঞ্চম বৃহৎ অৰ্থনৈতিক দেশলৈ পৰিগণিত হৈছে। তেওঁ লগতে কয় যে বিশ্বৰ বিভিন্ন প্ৰান্তৰ সংঘাত আৰু মহামাৰীৰ সত্বেও ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। তেওঁ কয় যে চৰকাৰে ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে চৰকাৰে ইয়াৰ আঁচনিসমূহৰ ফলাফলসমূহ যাতে সকলোৱে লাভ কৰিব পাৰে, সেইটো সুনিশ্চিত কৰাৰ লক্ষ্যৰে কাম কৰি আছে আৰু প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ অধীনত গ্ৰামাঞ্চলক সংযোগ কৰাৰ বাবে ৩ দশমিক ৮ লাখ কিলোমিটাৰ গ্ৰাম্য পথ নিৰ্মাণ কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে অঞ্চলটোত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু অঞ্চলটোৰ বিভিন্ন সমস্যা বিগত ১০ বছৰত সমাধান কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে অঞ্চলটোত শান্তি-শৃংখলা অব্যাহত থকাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিৰক্ষা বাহিনীৰ বিশেষ ক্ষমতা আইন পৰ্যায়ক্ৰমে বিভিন্ন ঠাইৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে। পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়

যে চৰকাৰে এই বিষয়টোৰ তদন্ত কৰাৰ লগতে দোষী ব্যক্তিক শাস্তি প্ৰদান কৰাৰ বাবে দায়বদ্ধ। তেওঁ লগতে কয় যে চৰকাৰে পৰীক্ষাত অনিয়মৰ ঘটনা ৰোধ কৰাৰ বাবে এখন বিশেষ আইন জাৰি কৰিছে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত সম্বোধন কৰা এটা প্ৰতিলিপি লোকসভাত দাখিল কৰা হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে সম্বোধন কৰাৰ পাছতে আজি পুনৰ লোকসভা মিলিত হোৱাৰ সময়ত এই প্ৰতিলিপি দাখিল কৰা হয়। অধ্যক্ষ ওম বিৰলাই বিৰোধী দলপতি হিচাপে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীৰ নাম ঘোষণা কৰে। পাছত দিনটোৰ বাবে সদন স্থগিত ৰখা হয়। ইফালে, ৰাজ্যসভাতো ৰাষ্ট্ৰপতিৰ ভাষণৰ এটা প্ৰতিলিপি দাখিল কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যসভাত নতুনকৈ অন্তৰ্ভুক্ত কেন্দ্ৰীয় মন্ত্ৰীসকলক পৰিচয় কৰাই দিয়ে। ইয়াৰ পাছতে সদন দিনটোৰ বাবে স্থগিত ৰখা হয়।

ooooooooo

কেনিয়াৰ ৰাষ্ট্ৰপতি উইলিয়াম ৰুটোৱে কৈছে যে দেশজুৰি ভয়াৱহ প্ৰতিবাদৰ প্ৰতি লক্ষ্য ৰাখি বিত্তীয় বিধেয়ক প্ৰত্যাহাৰ কৰা হ'ব। সূত্ৰ অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এই সৰ্বাধিক বিতৰ্কিত বিত্তীয়  বিধেয়কখনত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰে আৰু পুনৰ সংশোধনৰ বাবে সংসদলৈ প্ৰেৰণ কৰে। এটা বিজ্ঞপ্তি অনুসৰি শ্ৰী ৰুটোৱে কৈছে যে এই বিধেয়কখনক লৈ ব্যাপক অসন্তুষ্টি পৰিলক্ষিত হৈছে, সেয়েহে এইখন বাতিল কৰিব লাগে। সংসদত অলপতে পাৰিত হোৱা ২০২৪ বৰ্ষৰ বিত্তীয় বিধেয়কক লৈ প্ৰথম অৱস্থাত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ হৈছিল যদিও পাছত এই প্ৰতিবাদে সমগ্ৰ দেশতে হিংসাত্মক ৰূপ লয়। আৰক্ষী সূত্ৰ অনুসৰি কেনিয়াৰ বিভিন্ন প্ৰান্তত হিংসাত্মক প্ৰতিবাদৰ ফলত অতিকমেও ২২ গৰাকী লোক নিহত হয়। ভালেমান সামগ্ৰীৰ ওপৰত আৰোপিত কৰৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবে জনসাধাৰণে পথলৈ ওলাই আহি এই বিধেয়কৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

ooooooooo

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ 97166-80969 আৰু 96196-86659 নম্বৰলৈ WHATSAPP  যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন কাইলৈ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৱে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে কাইলৈ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী  একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ

ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিম্ন সদন House of Representatives-ত পাকিস্তানৰ সাধাৰণ নিৰ্বাচনত গণতন্ত্ৰ আৰু মানৱ অধিকাৰৰ সমৰ্থনত সম্পূৰ্ণ নিৰপেক্ষ তদন্তৰ আহ্বান জনাই এটা দ্বিপাক্ষিক প্ৰস্তাৱ গৃহীত কৰা হৈছে। 'পাকিস্তানৰ গণতন্ত্ৰ আৰু মানৱ অধিকাৰৰ প্ৰতি সমৰ্থন' শীৰ্ষক প্ৰস্তাৱটোত ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত অনিয়মৰ যিকোনো দাবীৰ ক্ষেত্ৰত নিকা আৰু স্বচ্ছ নিৰ্বাচনত গুৰুত্ব আৰোপ কৰা হৈছে।

ইফালে, প্ৰস্তাৱটোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ইয়াক সমালোচনা কৰি কয় যে পাকিস্তানৰ ৰাজনৈতিক পৰিস্থিতি আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিষয়ে ভালকৈ বুজি নোপোৱাৰ বাবে এনে প্ৰস্তাৱৰ উদ্ভৱ হৈছে। এই প্ৰস্তাৱনাটো সদনৰ ৮৫ শতাংশ সদস্যৰ উপস্থিতিত ৯৮ শতাংশই ইয়াৰ সপক্ষে ভোটদান কৰি গৃহীত কৰে। উল্লেখযোগ্য যে ২০২৪ চনৰ ৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত পাকিস্তানৰ সাধাৰণ নিৰ্বাচনত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ইণ্টাৰনেট বন্ধ, জালিয়াতি আৰু হিংসাত্মক ঘটনাৰ খবৰ পোৱাৰ লগতে অনিয়মত লিপ্ত হোৱাৰ অভিযোগ উত্থাপন হৈছিল।

০০০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত সুন্দৰ প্ৰদৰ্শন আগবঢ়াই ভাৰতে এতিয়ালৈকে আটাইকেইখন খেলতে জয়লাভ কৰিছে।

ত্ৰিনিদাদৰ ব্ৰায়ন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক ৯ উইকেটত পৰাস্ত কৰে। ৫৭ ৰানৰ বিজয়ৰ লক্ষ্যৰে খেলি দক্ষিণ আফ্ৰিকাই ৮ অ'ভাৰ ৫টা বলত এটা উইকেটৰ বিনিময়ত ৬০ ৰান কৰি জয়লাভ কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰি ১১ অ'ভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত এতিয়ালৈকে এইটোৱেই সৰ্বনিম্ন স্ক'ৰ। বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

০০০০০০০০০

নাগালেণ্ডত কালি অনুষ্ঠিত নগৰীয়া নিগম নিকায়ৰ নিৰ্বাচনত ৮৩ দশমিক ৫-৪ শতাংশ ভোটদান হয়। ৰাজ্যখনৰ তিনিখন পৌৰসভা আৰু ২১ খন জিলা পৰিষদৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছিল। ২০ বছৰৰ বিৰতিৰ পাছত অনুষ্ঠিত এই নিৰ্বাচনত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ কৰা হৈছিল। নিৰ্বাচনত ২১৪ টা ৱাৰ্ডৰ ৪২০ টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হৈছিল। ৩২৫ গৰাকী পুৰুষ আৰু ১৯৮ গৰাকী মহিলাকে ধৰি মুঠ ৫২৩ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছিল।

০০০০০০০০০

**সমাপ্ত**